सत्यमेव जयते

অসম চৰকাৰ

# ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

## ৰাজহ সংবৰ্ধনৰ বাবে অগ্ৰণী পদক্ষেপ

**সেৱা সমূহ (২১ মাৰ্চৰ পৰা ৩১ মাৰ্চ, ২০২৪ লৈ)ঃ**

১। নথি পঞ্জীয়নৰ বাবে পঞ্জীয়ন কাৰ্যালয় পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৮ বজালৈ খোলা থাকিব।

২। ৰাষ্ট্ৰীয় জেনেৰিক দস্তাবেজ পঞ্জীকৰণ প্ৰণালী (NGDRS) ৰ অধীনত শ্লট (Slot) পঞ্জীয়নৰ বাবে ২৪x৭ মুকলি থাকিব।

৩। বৰ্তমানৰ সময়সীমা পুৱা ১০ বজাৰ পৰা বিয়লি ৩.৩০ বজাৰ পৰিবৰ্তে প্ৰতিদিনে *পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ* NGDRS ৰ অধীনত পঞ্জীয়নৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰা হৈছে।

৪। ৩১ মাৰ্চৰ ২০২৪ লৈ SHCIL অনুমোদিত অনুজ্ঞাপত্ৰ থকা e-stamp সংগ্ৰহকেন্দ্ৰ ২৪x৭ ৰ বাবে খোলা থাকিব (চৰকাৰী চৌহদৰ বাহিৰত)।

৫। চৰকাৰী চৌহদত থকা অনুমোদিত e-stamp সংগ্ৰহকেন্দ্ৰ ৩১ মাৰ্চলৈ পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৮ বজালৈ খোলা থাকিব।

**ইয়াৰোপৰি ঃ**

১। মিছন বসুন্ধৰা ২.০ ৰ অধীনত ৩০% (শতাংশ) প্ৰিমিয়াম আদায় দিয়া আবেদনকাৰী সকলে বাকী থকা ৭০% (শতাংশ) প্ৰিমিয়াম সেৱাসেতু প'ৰ্টেলৰ জৰিয়তে অনলাইন যোগে আদায় দিব পাৰিব।

২। ভূমি ৰাজহৰ বাবে জনসাধাৰণে নিজ-নিজ এলেকাৰ মৌজাদাৰক খাজনা পৰিশোধ কৰিব পাৰিব। খাজনা জমা দিয়াৰ বাবে পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৮ বজালৈ মৌজাদাৰৰ কাৰ্যালয় খোলা থাকিব।

৩। তহছিলদাৰী অঞ্চলৰ জনসাধাৰণে সেৱাসেতু প'ৰ্টেল যোগে e-khajana ৰ মাধ্যমেৰে খাজনা জমা দিব পাৰিব।